# অসম আদিত্য

১২ মাঘ, ১৯৪৬ শক ■ দেওবাৰ, ২৬ জানুৱাৰী, ২০২৫ ■ Asom Aditya, Dibrugarh, Sunday, January 26, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী

৬ পৃষ্ঠাত

## ৰাত ক্ৰেচাৰ নত ছাত্ৰীৰ দেহ উদ্ধাৰ

নাজিৰা, ২৫ জানুৱাৰী কিপুৰ পাতঘৰ চাৰিআলি ক্ৰচাৰ মেচিনত ২ পৃষ্ঠাত

ৰ চোলা

## ইউক্ৰেইনকো অৱহেলা, আৰু কাকো ধন নিদিয়ে ট্ৰাম্পে



ৱাশ্বিংটন, ২৫ জানুৱাৰী ঃ প্ৰৱাসীক দেশান্তৰিত কৰিবলৈ তৎপৰ হ'লেও প্ৰশাসনত আন এজন ভাৰতীয় মূলোদ্ভৱক অন্তৰ্ভুক্ত কৰিছে ড'নাল্ড ট্ৰাম্পে। পৃথিৱী কঁপোৱা ২ পৃষ্ঠাত

ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ প্ৰতিনিধি সভাত অধ্যক্ষ ডঃ শশীকান্ত শইকীয়া

## এটা জাতিক শক্তিশালী কৰে অধ্যয়ন-প্ৰশিক্ষণে

ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৫ জানুৱাৰী ঃ এটা জাতি, ৰাষ্ট্ৰ শক্তিশালী হ'বলৈ হ'লে অধ্যয়নৰ লগতে প্ৰত্যেকজন ৯ পৃষ্ঠাত

অসম-নাগালেণ্ড সীমান্তৰ পৰা বেদান্ত ভাৰ্গৱৰ ৰবা, ২৫ জানুৱাৰী ঃ এইবাৰ অসমৰ ভূমি নহয়, আগ্ৰাসী নগাৰ এইবাৰ চকু পৰিছে গোলাঘাট জিলাৰ অন্তৰ্গত ২ পৃষ্ঠাত

## ৮০,২৪৩ ইউনিট ৰক্তদানেৰে গীনিজ বিশ্ব অভিলেখ

ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ২৫ জানুৱাৰী ঃ অল ইণ্ডিয়া অৰ্গেনাইজেশ্যন অৱ কেমিষ্ট আৰু ড্ৰাগছ এছ'চিয়েশ্যনৰ পঞ্চাশ বছৰ উপলক্ষে এটা দিনতেই ২ পৃষ্ঠাত



# অসম আদিত্য

২ মাঘ, ১৯৪৬ শক ■ দেওবাৰ, ২৬ জানুৱাৰী, ২০২৫ ■ Asom Aditya, Dibrugarh, Sunday, January 26, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী


য়ুটেস্কৰ কেন্দ্ৰীয়
হকেইজন বিশিষ্ট
সম্পাদক সঞ্জীৱ
হতে হৰিনাৰায়ণ
সাংস্কৃতিক কৰ্মী
উদ্বোধন কৰা
অনুষ্ঠিত হৈ থকা
পুল উপস্থিতিৰ
ৰাইজৰ বিপুল

পথ

নিহত

ৰী ঃ দেৰগাঁৰৰ
সংঘটিত হয়।
হত হয়। প্ৰাপ্ত
পণ্ডিত হেমচন্দ্ৰ
ম্পৰ সমীপত

গৰাকীলৈ আগবঢ়োৱা হৈছে উৎকৃষ্ট সেৱা পদক। উৎকৃষ্ট সেৱা পদক লাভ কৰা আৰক্ষীৰ বিষয়া-জোৱানসকল হৈছে ক্ৰমে- অসম আৰক্ষীৰ মহাপৰিদৰ্শক ৰফিউল আলম লস্কৰ, প্লাটুন কামাণ্ডাৰ প্ৰশান্ত হাতীবৰুৱা, উপ-আৰক্ষী অধীক্ষক উপেন কলিতা, উপ-পৰিদৰ্শক উপেন্দ্ৰ ৰয়, উপ-পৰিদৰ্শক চিত্ৰমোহন ৰাভা, সহকাৰী উপ-পৰিদৰ্শক হেমেন ভুঞা, পৰিদৰ্শক বলোৰাম চাওদাং, হাবিলদাৰ হেৰেম্ব নাথ, উপ-পৰিদৰ্শক বিবেকানন্দ শৰ্মা, সহকাৰী উপ-পৰিদৰ্শক বিষ্ণু প্ৰসাদ চেত্ৰী, হেড কনিষ্টবল দীপক কাকতি, হেড কনিষ্টবল শংকু চৌধুৰী, নায়ক বাপধন ৰাজবংশী আৰু কনিষ্টবল গজেন মৰাণ। উল্লেখ্য যে, দেওবাৰে সমগ্ৰ দেশৰ লগতে অসমতো উলহ-মালহেৰে গণৰাজ্য দিৱস উদ্‌যাপন কৰা হ'ব। ইফালে গণৰাজ্য দিৱসৰ প্ৰাক্‌ক্ষণত উৎকৃষ্ট সেৱাৰ বাবে ৰাষ্ট্ৰপতি পদক লাভ কৰা অসম আৰক্ষীৰ সমূহ কৰ্মচাৰীলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আন্তৰিক অভিনন্দন জ্ঞাপন কৰে।

## এটা জাতিক শক্তিশালী কৰে অধ্যয়ন-প্ৰশিক্ষণে

নাগৰিকৰ প্ৰশিক্ষণৰ প্ৰয়োজন। উপযুক্ত প্ৰশিক্ষণ, অধ্যয়ন অবিহনে এটা জাতি কেতিয়াও শক্তিশালী হ'ব নোৱাৰে। ডিব্ৰুগড় জিলাৰ সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰতিনিধি সভাৰ আদৰণী ভাষণ প্ৰদান কৰি ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আজি এইদৰে কয়। লগতে অধ্যক্ষ ড° শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয়— পৰিৱেশক ভালপোৱাৰ মাজেদিহে এটা সুস্থ জাতি গঢ়ি তুলিব পাৰি। উঠি অহা প্ৰজন্মই জানিবলৈ, বুজিবলৈ চেষ্টা কৰা প্ৰয়োজন বুলি উল্লেখ কৰি কয়— পৃথিৱীখনৰ পৰিৱৰ্তনৰ বুজ লৈ আগবাঢ়ি গ'লেহে এটা জাতি পৃথিৱীত উজলি উঠিব পাৰে। কানৈ কলেজৰ প্ৰেক্ষাগৃহত ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি সঞ্জীৱ বৰাৰ পৌৰহিত্যত অনুষ্ঠিত প্ৰতিনিধি সভাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই। প্ৰতিনিধি সভাত আদৰণি সমিতিৰ সাধাৰণ সম্পাদক তথা অসম আদিত্যৰ সম্পাদক মনজিৎ বৰা, আছুৰ সহকাৰী সম্পাদক দীপক শৰ্মা, সাংগঠনিক সম্পাদক বুলবুল দত্ত, ক্ৰীড়া সম্পাদক সীমান্ত নেওগ, সাংগঠনিক সম্পাদক অনুপজ্যোতি ভুঞা, কাৰ্যনিৰ্বাহক সদস্য বিতুপন চাংমাই, লব্ধ প্ৰতিম দাস, সমৰ গোহাঁই, অৰ্জুন ছেত্ৰী আদি উপস্থিত থাকে। ইয়াৰ পূৰ্বে পুৱা ভাৰপ্ৰাপ্ত সভাপতি সঞ্জীৱ বৰাই পতাকা উত্তোলনৰ পিছতেই শ্বহীদ তৰ্পণ কৰে জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ৰূপজ্যোতি বৰঠাকুৰে। সদৌ ডিব্ৰুগড় ছাত্ৰ সন্থাৰ সভাপতি তনুজ হালৈয়ে আঁত ধৰা অনুষ্ঠানত অধিবক্তা অভিমন্যু বৰুৱা, প্ৰাক্তন ছাত্ৰ নেতা মনজিৎ বৰাইয়ো ভাষণ প্ৰদান কৰে। এই অনুষ্ঠানৰ পিছতেই ডিব্ৰুগড় চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ হৃদয়ানন্দ চৌধুৰীয়ে উদ্বোধন কৰে সাংস্কৃতিক শোভাযাত্ৰা। সাংস্কৃতিক শোভাযাত্ৰাত অসমৰ জাতি-জনগোষ্ঠীৰ সমন্বয়ৰ ছবিখন প্ৰতিফলিত কৰা পৰিলক্ষিত হয়।

